# ভাৰত ,শ্ৰী লংকা আৰু মালদিভৰ মাজত সাগৰীয় সুৰক্ষা সহযোগিতা সন্দৰ্ভত ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা পৰ্যায়ত ত্ৰিপাক্ষীক বৈঠক ।

মাৰ্চ ৬,২০১৪

মালদিভ,শ্ৰী লংকা আৰু ভাৰতৰ মাজত সাগৰীয় সুৰক্ষা সহযোগিতা সম্পৰ্কে ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা স্তৰত তৃতীয় লানি ত্ৰিপাক্ষীক বৈঠক ভাৰতে ৬ মাৰ্চ ২০১৪ তাৰিখে নতুন দিল্লীত অনুষ্ঠিত কৰে ।ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা শ্ৰী শিৱ শংকৰ মেননে ভাৰতীয় প্ৰতিনিধি দলটোক নেতৃত্ব দিয়াৰ উপৰিও তেওঁ বৈঠকত সভাপতিত্ব কৰে ।মালদিভৰ প্ৰতিনিধি দলটোক নেতৃত্ব দিয়ে সুৰক্ষা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা মন্ত্ৰী কৰ্ণেল(অৱসৰ প্ৰাপ্ত)মহম্মদ নাজিমে আৰু শ্ৰী লংকাৰ প্ৰতিনিধি দলটোক নেতৃত্ব দিয়ে সুৰক্ষা আৰু চহৰ উন্নয়ন মন্ত্ৰনালয়ৰ সচিব শ্ৰী গাটাবায়া ৰাজাপাকচাই ।

মৰিছাছ আৰু ছেয়ছিল্লচেও অথিতি দেশ হিচাপে বৈঠকত অংশ গ্ৰহন কৰে ।মৰিছাছক প্ৰধানমন্ত্ৰীৰ কাৰ্য্যলয়ৰ স্থায়ি সচিব শ্ৰী মতিচান্দ চীবাহে প্ৰতিনিধিত্ব কৰে আৰু ৰাষ্ট্ৰদূত মাওৰাইচ লউষ্টাউ-লালানেয় ,বিদেশ মন্ত্ৰনালয়ৰ প্ৰধান সচিবে ছেয়ছিল্লচেওক প্ৰতিনিধিত্ব কৰে ।

ভাৰত,শ্ৰী লংকা আৰু মালদিভে ২০১১ চনৰ অক্তোবৰৰ মাহত মালদিভত অনুষ্ঠিত প্ৰথম থন সাগৰীয় সুৰক্ষা সহযোগিতা সম্পৰ্কে ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা স্তৰীয় ত্ৰিপাক্ষীক বৈঠকত সাগৰীয় নিৰাপত্তৰ ক্ষেত্ৰত ত্ৰিপাক্ষীক সহযোগিতাৰ আৰম্ভনি কৰিছিল ।২০১৩ চনত জুলাই মাহত কলম্বোত অনুষ্ঠিত হোৱা দ্বিতীয় লানি বৈঠকত তিনিও থন দেশে সাগৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত সহযোগিতাৰ অৰ্থে এক পথ মানচিত্ৰ গ্ৰহন কৰিবলৈ ঐক্যমত পোষন কৰিছিল ।তাৰোপৰি তলত বৰ্ণনা কৰা তিনিটা শ্ৰেণীৰ কাৰ্য্যকাৰিতা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহন কৰিছিল ।

১. আৰ্ন্তৰাষ্ট্ৰীয় সামুদ্ৰিক সংস্থাৰ (আইএমও)অৰ্ন্তভূক্ত প্ৰনালী যেনে-দীৰ্ঘ দূৰত্বলৈ চিনাক্তকৰন কৰিব পৰা প্ৰক্ৰিয়া আৰু অনুসন্ধান কৰি উলিয়াব পৰা (এলআৰআইটি)সেৱা আৰু স্বয়ংক্ৰিয় চিনাক্তকৰন প্ৰক্ৰিয়াৰ তথ্য বিনিময় কৰাৰ জৰিয়তে সামুদ্ৰিক বিষয় সম্পৰ্কে সজাগতা বৃদ্ধি(এমডিএ)প্ৰাধন্যতা গ্ৰহন কৰা ।

২. এমডিএৰ ক্ষেত্ৰ খনত প্ৰশিক্ষন আৰু যোগ্যতা বৃদ্ধিৰ প্ৰচেষ্টা গ্ৰহন কৰা, অনুসন্ধানৰ ব্যৱস্থা কৰা আৰু উদ্ধাৰ কৰা আৰু তৈল্য দূষিতকৰনৰ ক্ষেত্ৰত সহাৰি আৰু

৩. ত্ৰিপাক্ষীক কাৰ্য্যকাৰিতা,বেআইনী সামুদ্ৰিক কাৰ্য্যকাৰিতাৰ সন্দৰ্ভত সংযোগ ৰেখা নিয়ন্ত্ৰন,সামুদ্ৰিক তৈল্য দূষিতকৰনৰ প্ৰতি সহাৰীৰ অন্যান্য পৰিকল্পনাসমূহৰ সূত্ৰ উদ্ভৱ কৰা আৰু সামুদ্ৰিক ডকাইতি ৰোধ কৰিবলৈ আইনসংগত আৰু পলিচি বিষয়ৰ সহযোগিতা গ্ৰহনৰ বিষয়সমূহ সামৰি যুটিয়া ব্যৱস্থা গ্ৰহনৰে অগ্ৰসৰ হব লাগে ।

বিশেষভাৱে চিনাক্ত কৰা ক্ষেত্ৰ সমুহৰ বিষয়ত গৃহিত বিভিন্ন আচনি সমুহৰ কাৰ্য্যত ৰূপায়নৰ সন্দৰ্ভত লাভ কৰা অগ্ৰগতিৰ বাবে নতুন দিল্লীত অনুষ্ঠিত তৃতীয় লানি ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টাৰ স্তৰৰ বৈঠকত অংশ গ্ৰহনকাৰী সকলে যথেষ্ট সন্তোষ্টি ব্যক্ত কৰে ।তেওঁলোকে নতুন কৈ সহযোগিতা আগবঢ়াব পৰা বিষয়সমুহৰ সম্পৰ্কেও বৈঠকত আলোচনা কৰে । হাইড্ৰগ্ৰাফী,ভ্ৰমন, অনুসন্ধান আৰু বেআইনী সামগ্ৰীৰ উদ্ধাৰ অভিযান ভাৰতীয় নাবিক( Sail )প্ৰশিক্ষন জাহাজত ভ্ৰমন কৰা সকলক প্ৰশিক্ষনৰ ব্যৱস্থা,চিন্তাবিদ সকলৰ মাজত মতবিনিময় আৰু দুসাহসিক কাৰ্য্যকাৰিতাত যুটিয়া প্ৰচেষ্টাৰে আগবঢ়া আদি বিষয়ক সমুহক সহযোগিতা আগবঢ়াব পৰা নতুন ক্ষেত্ৰসমুহৰ মাজত অন্তৰ্ভূক্তি কৰে ।

বৈঠকত আংশগ্ৰহন কাৰী সকলে নিৰ্দেশনা জাৰি কৰে যে কাৰ্য্যকাৰী আৰু টেকনিকেল স্তৰৰ গ্ৰুপ সমুহক সোনকালে বৈঠকত মিলিত হৈ যুটিয়া ভাৱে গ্ৰহন কৰা কাৰ্য্যকাৰিতা সমুহক ক্ষীপ্ৰতাৰে বাস্তৱত ৰূপায়ন কৰাৰ আৰু সহযোগিতাৰ নতুন বিষয় সমুহক কাৰ্য্যত ৰূপায়ন কৰিবলৈ সঠিক আঁচনিৰ অৰ্থে প্ৰস্তুতি আৰম্ভ কৰিব লাগে ।

বৈঠকত অংশগ্ৰহনকাৰি সকলে মৰিচাচ আৰু ছেয়ছিল্লছক এই বৈঠকত উপস্থিত থকা কাৰনে আদৰনি জনায় ।তেওঁলোকে উল্লেখ কৰে যে মৰিচাচ আৰু ছিয়েছিল্লছৰ অংশগ্ৰহনে ভাৰত মহাসাগৰ অঞ্চলত সামুদ্ৰিক নিৰাপত্তাৰ এই প্ৰচেষ্টাক আৰু অধিক বৃদ্ধি কৰাত সহযোগিতা আগবঢ়াব ।

সামুদ্ৰিক নিৰাপত্তা সহযোগিতাৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা স্তৰৰ পৰবৰ্তী বৈঠক মালদিভত অনুষ্ঠিত হব আৰু কূটনৈতিক ব্যৱস্থাৰ জৰিয়তে এই বৈঠকৰ তাৰিখ চূড়ান্ত কৰা হব ।

নতুন দিল্লী

মাৰ্চ ৬,২০১৪